বিশ্বাস নকৰিলেও হোসেনৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰে। হোসেনে যি কৰিব বিচাৰে সেয়া সকলো স্বাভাৱিক আৰু অৱশ্যম্ভাৱী। কিয়নো দুখীয়া কুবেৰ আৰু সমগোত্ৰীয় সকলৰ অভাৱৰ সময়ত হোসেনে উদাৰ চিত্তে টকা-পইচা দি সহায় কৰে। ধুমুহা বৰষুণত ঘৰ ভাঙি পৰাৰ সময়ত নিজৰ তত্ত্বাৱধানত সকলোৰে ঘৰ পুনৰ বান্ধি দিয়ে।

পদ্মা নদীৰ ভাটিৰ ফালে মেঘনাৰ মোহনাত সমুদ্ৰৰ মাজত সৰু এটি দ্বীপত হোসেনে প্ৰজা পত্তন কৰিছে। গভীৰ জঙ্ঘলেৰে ভৰা সেই দ্বীপটোৰ নাম ময়নাদ্বীপ। ময়নাদ্বীপ মানুহৰ বাসোপযোগী নহয় যদিও জঙ্ঘল কাটি চাফা কৰি ঋণগ্ৰস্ত, অভাৱী মানুহৰ পৰিয়ালক লোভ দেখুৱাই হোসেনে সেই দ্বীপলৈ লৈ যায়। কেতুপুৰৰ দুখীয়া মাঝিৰ পৰিয়াল তিনিটিৰ বাহিৰেও আৰু অন্যান্য ঠাইৰ পৰা তেনে পৰিয়াল নি ময়নাদ্বীপৰ জনসংখ্যা বঢ়াইছেগৈ। হোসেন মিঞাৰ এই গোপন উদ্দেশ্যৰ কথা জানিও জেলেপাৰাবাসীয়ে হোসেন মিঞাৰ উপকাৰ নতশিৰে গ্ৰহণ কৰে।

হোসেন মিঞা আৰু পদ্মা নদী কুবেৰ, গণেশহঁতৰ বাবে ভাগ্যনিয়ন্তা স্বৰূপ। কিন্তু হোসেন পদ্মাৰ সমপৰ্য্যায়ৰ নহয়। বৰং পদ্মাৰ প্ৰতিকূল ভূমিকা পালন কৰা হোসেন পদ্মাৰ প্ৰতিদ্বন্দ্বী। হোসেনে নিজৰ ভৱিষ্যত নিজে ৰচনা কৰিছে। বিশাল জলৰাশিৰ মাজত পৰিত্যক্ত হৈ থকা অনুৰ্ব্বৰ, লুণীয়া মাটিৰ, মানুহৰ বসতিৰ অনুপযোগী ময়নাদ্বীপক মানুহৰ বাসৰ যোগ্য কৰি তুলি নিজৰ জমিদাৰী পত্তন কৰাৰ উদ্দেশ্যে পাঁচ বছৰ ধৰি একাগ্ৰচিত্তে সংগ্ৰাম অব্যাহত ৰাখিছে হোসেনে। ই বৰ সহজ কাম নহয়। ময়নাদ্বীপৰ বিষাক্ত সাপ, কীট-পতঙ্গ, মহ-ডাঁহ, মেলেৰীয়াৰ বিৰুদ্ধে সংগ্ৰাম কৰি ভাগৰি পৰা নাই। পদ্মাৰ ক্ৰুৰ প্ৰাকৃতিক শক্তিৰ বিৰুদ্ধে ফেৰ মাৰিবলৈ চেষ্টা কৰি হোসেনো ক্ৰুৰ হৈ উঠিবলৈ বাধ্য। নিষ্ক্ৰিয় আত্মসমৰ্পণৰ বিৰুদ্ধতা হোসেন মিঞাৰ সমগ্ৰ জীৱনৰ সাৰাৰ্থ।[৮] হোসেন মিঞাই গোৱা গীতটিত সেই কথা ৰূপকাৰ্থত প্ৰকাশিত হৈছে।

কুবেৰ আৰু তাৰ বন্ধু গণেশৰ দৃষ্টিত হোসেন মিঞা মাজে মাজে প্ৰায় অলৌকিক শক্তিৰ অধিকাৰী হৈ উঠে। কিন্তু হোসেনে কুবেৰক নৌকাযাত্ৰাৰ বাট খৰচৰ বাবদ দিয়া টকাৰ পৰা দুই তিনি টকা সৰকাব পাৰি কুবেৰে আকৌ ভাবে — 'না লোকটা সৰ্বশক্তিমান নয়'। হোসেনৰ আফিঙৰ ব্যৱসায়ৰ গোপন ৰহস্য জনাৰ পাছত কুবেৰৰ এই সন্দেহ সম্পূৰ্ণ নিৰসন হয়।

অদৃষ্টৰ হাতত নিজক সমৰ্পণ কৰা কুবেৰ গণেশহঁতৰ চৰিত্ৰৰ বিপৰীতে হোসেন মিঞাই নিজৰ অদৃষ্টক নিজে গঢ়িবলৈ দৃঢ় সংকল্পবদ্ধ। 'লালচে দাড়ি' হাতেৰে মুঠা মাৰি মিচিকিয়া হাঁহিৰে কোমল স্বৰেৰে কথা কোৱা হোসেন মিঞাৰ চৰিত্ৰটি ঔপন্যাসিকে স্বয়ংসম্পূৰ্ণ আৰু বৈচিত্ৰ্যপূৰ্ণ ৰূপত সৃষ্টি কৰিছে।



## কপিলা ঃ

**পদ্মা নদীৰ মাঝি** উপন্যাসৰ এটি আকৰ্ষণীয় নাৰী চৰিত্ৰ কপিলা। কপিলা কুবেৰৰ পত্নী মালাৰ ভনীয়েক। কুবেৰ আৰু মালাৰ বিয়াৰ সময়ত কপিলা আছিল দুৰ্দ্দান্ত স্বভাৱৰ বালিকা। কিশোৰী কপিলাৰ চঞ্চলতাৰ বৰ্ণনা লেখকে এনেদৰে দিছে —

> *কোনদিন সে গাছের ডালে কাঁচা বেতের দোলনা বাঁধিয়া দোল খাইবে, কিশোর বয়সের অপূর্ব দেহটিকে ঘাটের উপর হইতে ছুঁড়িয়া দিবে পুকুরেরে জলে, ডিঙি লইয়া একা একা পলাইয়া গিয়া সকলকে দিবে বকুনি দেওয়ার শাস্তি।" (পৃঃ ৪৮)*

উপন্যাসৰ চতুৰ্থ অধ্যায়ৰ পৰা শেষলৈকে কপিলাক লগ পোৱা যায়। স্বামীৰ সৈতে কাজিয়া কৰি মাকৰ ঘৰলৈ গুচি অহা কপিলাৰ বিবাহিত জীৱন সুখৰ নহয়।

বাৰিষা চৰডাঙ্গা গাঁও বনপানীত তল যোৱা বুলি শুনি কুবেৰে শহুৰৰ ঘৰলৈ খবৰ ল'বলৈ গৈ সৰু ল'ৰা-ছোৱালী কেইটিৰে সৈতে কপিলাক নিজৰ ঘৰলৈ লৈ আহে। কুবেৰৰ পত্নী মালা পঙ্গু নাৰী। পত্নীৰ পৰা পাবলগীয়া পৰিচৰ্য্যা কুবেৰে যিহেতু কোনোদিনেই পোৱা নাই তাৰ অভাৱো সি অনুভৱ কৰা নাছিল। কিন্তু কপিলাৰ আৱিৰ্ভাৱে সকলো ওলট-পালট কৰি দিলে। কপিলাই ভিনিহিয়েকক আলপৈচান ধৰে —

> *... সাৰাৰাত্ৰি পদ্মাৰ বুকে কাটাইয়া আসিয়া এখন সে না চাহিতে পা ধোয়াৰ জল পায়, পান্তাভাতের কাঁসিটির জন্য হাঁকাহাঁকি কৰিতে হয় না, খাইয়া উঠিয়া মাত্র তামাক আসে, প্রস্তুত থাকে তাহাৰ দীনমলিন শয্যা এবং ফাঁক পাইলেই কোনদিন গোঁফ ধৰিয়া টান দিয়া, কোন দিন একটা চিমটি কাটিয়া, হাসি চাপিয়া চোখের পলকে উধাও হইয়া — ঘুম আসিবাৰ আগেই কপিলা তাহাকে স্বপ্ন আনিয়া দেয়। (পৃঃ ৫২)*

কেৱল সেয়ে নহয়, কুবেৰে পাহৰি এৰি থৈ যোৱা হোকাটো দিবলৈ কপিলা নৈৰ পাৰলৈও দৌৰি যায়। স্বামীৰ প্ৰতি থকা নাৰীৰ স্বভাৱসুলভ দায়িত্ব আৰু কৰ্ত্তব্য পালন কৰিব নোৱাৰি দুখী হৈ থকা কপিলাই কুবেৰক আদৰ যত্ন কৰি এক তৃপ্তি লাভ কৰে। কুবেৰৰ ওচৰত আব্দাৰ কৰে হাতত ধৰি টনাটনি কৰে। বেঙুনীয়া ৰঙৰ শাৰী পিন্ধি নাৰিকল তেল সনা চপচপীয়া চুলিৰে কপিলাই কৰা লীলাখেলাই কুবেৰৰ অন্তৰৰ কোনোবাখিনিত দোলা দি যায়। ৰহস্যময়ী কপিলাৰ প্ৰতি কুবেৰৰ অহৈতুক আকৰ্ষণ জাগে।